# স্পষ্টীকৰণ

যোৱা ইং ০৩-১১-২০১৫ তাৰিখে “আমি অসমৰ জনগণ” কাকতত প্ৰকাশিত “ওৰাঙত বৃদ্ধি চোৰ-ডকাইটিৰ ঘটনা” শীৰ্ষক বাতৰিটো ওদালগুৰি আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে বাতৰিটোত আৰক্ষীৰ বিৰুদ্ধে অনা অভিযোগ মুঠেই সত্য নহয় আৰু ভিত্তিহীন। বাতৰিটো সন্দৰ্ভত ওদালগুৰিৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (আইন-শৃংখলা)ক তদন্তৰ দায়িত্ব অৰ্পণ কৰা হৈছিল আৰু তদন্তকালত বাতৰিটো সম্বন্ধে স্থানীয় ৰাইজক সোধ-পোচ কৰাত ৰাইজে ওৰাং থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উপ-পৰিদৰ্শক সোমেশ্বৰ বৰাৰ বিৰুদ্ধে কোনোধৰণৰ অসন্তুষ্টি প্ৰকাশ নকৰিলে, বৰং ০২-১০-২০১৫ তাৰিখে সোমেশ্বৰ বৰাই ওৰাং থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰূপে দায়িত্ব গ্ৰহণ কৰি মাত্ৰ এমাহৰ ভিতৰত দুৰ্গা পূজা আৰু লক্ষ্মী পূজাৰ দৰে বৃহৎ উৎসৱৰ সময়ত আইন-শৃংখলা আৰু ৰাইজৰ সুবিধাৰ্থে নিষ্ঠাৰে কৰ্তব্য পালন কৰাৰ বাবে ওৰাঙৰ স্থানীয় ৰাইজে সন্তুষ্টিহে প্ৰকাশ কৰে। আৰক্ষীয়ে ওৰাং থানাৰ অন্তৰ্গত অঞ্চলসমূহত যিকোনো অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে সদায়েই দৃঢ় পদক্ষেপ গ্ৰহণ কৰি আহিছে আৰু জুৱাখেল, অবৈধ সুৰাৰ প্ৰচলনৰ বিৰুদ্ধেও সমানেই ক্ষিপ্ৰ অভিযান অব্যাহত ৰাখিছে।

Odl 22/11/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ০৭-১১-২০১৫ তাৰিখে "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "আৰক্ষীৰ পৃষ্ঠপোষকতাত আদাবাৰীত চিণ্ডিকেট" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে আদাবাৰী বাছ ষ্টেণ্ডৰ আশে-পাশে কোনোধৰণৰ পৰিবহন তথা যান-বাহন আদি চলাচলক লৈ চিণ্ডিকেট গঢ়ি উঠাৰ তথ্য আৰক্ষীৰ হাতত নাই। এই সন্দৰ্ভত আৰক্ষীক কোনেও অভিযোগো দিয়া নাই। এনেধৰণৰ কাৰ্য্য পৰিলক্ষিত হ'লে আইনগতভাৱে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই বাতৰি সন্দৰ্ভত যান-বাহন শাখাৰ উপ আৰক্ষী আয়ুক্তক তদন্ত কৰি প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে। তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ০৯-১১-২০১৫ তাৰিখে "দৈনিক অগ্ৰদূত" কাকতত প্ৰকাশিত "বিষয়া বিহীনভাৱে চলিছে যমুনামুখ থানা" শীৰ্ষক বাতৰিটো হোজাই আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে বাতৰিটো মুঠেই সত্য নহয় আৰু ভিত্তিহীন। হোজাই আৰক্ষী জিলাৰ যমুনামুখ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীৱ টেৰাঙক ডবকা থানালৈ আৰু ডবকা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উপ-পৰিদৰ্শক ৰূপজ্যোতি দত্তক যমুনামুখ থানালৈ একে পদবীতে ৰাজহুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ইং ২৭-১০-২০১৫ তাৰিখে বদলি কৰা হৈছিল। এই সম্পৰ্কে উপ-পৰিদৰ্শক সঞ্জীৱ টেৰাঙে ইং ০১-১১-২০১৫ তাৰিখে ডবকা থানাৰ নতুন ভাৰপ্ৰাপ্ত বিষয়া ৰূপে দায়িত্ব গ্ৰহণ কৰে আৰু ডবকা থানাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত বিষয়া উপ-পৰিদৰ্শক ৰূপজ্যোতি দত্তই ডবকা থানাৰ দায়িত্ব হস্তান্তৰ কৰি ইং ০২-১১-২০১৫ তাৰিখৰ পৰা ৬(ছয়) দিনৰ আকস্মিক ছুটীত যায়। উক্ত ৬(ছয়) দিনৰ ছুটী সম্পূৰ্ণ হোৱাত উপ-পৰিদৰ্শক ৰূপজ্যোতি দত্তই ইং ০৯-১১-২০১৫ তাৰিখে যমুনামুখ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰূপে ইতিমধ্যেই দায়িত্ব গ্ৰহণ কৰিছে।

১২/১১/১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী